কৰা দুয়োখন দেশৰ বাবে বিপদজনক। কেতিয়াবা-কেতিয়াবা কোনো দেশৰ আমদানি পৰিমাণতকৈ ৰপ্তানিৰ পৰিমাণ ক্ৰমান্বয়ে হ্ৰাস হৈ অহাৰ ফলত পৰিশোধৰ সমতা লাভ কৰিবৰ বাবে এখন দেশৰ মুদ্ৰা ব্যৱস্থাৰ ওপৰতো হেঁচা পৰিব পাৰে। এনে হ'লে আন্তৰ্জাতিক বাণিজ্য কোনো-কোনো দেশৰ বাবে অনিষ্টকৰ হোৱাৰ সম্ভাৱনা প্ৰৱল হয়।

11. **আত্মনিৰ্ভৰশীলতা** (Self Dependent) ঃ উন্নত অৰ্থনীতিয়েই হওক বা অনুন্নত অৰ্থনীতিয়েই হওক প্ৰতি দেশেই বৰ্তমান সময়ত আত্মনিৰ্ভৰশীল হ'বলৈ যত্নপৰ হয়। মুক্ত বা অবাধ বাণিজ্যই কোনো দেশকে আত্মনিৰ্ভৰশীল হোৱাত সহায় নকৰে। আত্মনিৰ্ভৰশীলতাৰ অভাৱে এখন দেশক কিদৰে সময়ত বিপদগ্ৰস্ত কৰি তুলিব পাৰে তাক দ্বিতীয় মহাসমৰৰ সময়ত প্ৰতিখন দেশেই মৰ্ম্মে-মৰ্ম্মে উপলব্ধি কৰিছিল।

12. **বিষম উন্নয়ন** (Unbalance Development) ঃ মুক্ত বা অবাধ বাণিজ্য নীতিৰ অধীনত সেইখন দেশে সেই বিধ সামগ্ৰী উৎপাদন কৰে আৰু উৎপাদনত বিশেষীকৰণ কৰে, যিটো দ্ৰব্য আপেক্ষিকভাৱে আনদেশৰ তুলনাত কম খৰচতে উৎপাদন কৰিব পাৰে। গতিকে দেশখনে আন্তৰ্জাতিক পৰ্য্যায়ত ব্যয়ৰ তুলনামূলক সুবিধা লাভ কৰা খণ্ডসমূহৰহে উন্নয়ন সাধন কৰাৰ সুবিধা পায়। যিবোৰ সামগ্ৰী উৎপাদনত আন্তৰ্জাতিকভাৱে ব্যয়ৰ তুলনামূলক অসুবিধাহে বেছিকৈ অনুভৱ কৰে তেনেবোৰ খণ্ডত উৎপাদন কাৰ্য্য নোহোৱা বাবে তেনোবাৰ খণ্ড পিচ পৰি ৰয়। ফলত দেশখনে সুষম উন্নয়নৰ কথা ভাবিবই নোৱাৰে। সুষম উন্নয়নৰ প্ৰধান পৃষ্ঠপোষক ৰ'জেনষ্টেইন ৰ'ডানে তেখেতৰ গ্ৰন্থ "Problems of Industrialization of Eastern and South Eastern Europe– 1943" ৰ জৰিয়তে মতপোষণ কৰে যে সুষম উন্নয়নে শ্ৰমৰ বিশেষীকৰণ ঘটায়। একাধিক উদ্যোগৰ বিকাশ সাধন কৰি নিৰনুৱা সমস্যা ৰোধ কৰাত সহায় কৰে, দেশৰ আভ্যন্তৰীণ মূল্যস্তৰৰ স্থিৰতা ৰক্ষা কৰে, বিদেশৰ ওপৰত নিৰ্ভৰশীলতা কমাই, দেশত আত্মনিৰ্ভৰশীলতাৰ প্ৰতি আকৰ্ষণ বঢ়াই, দেশৰ প্ৰাকৃতিক সম্পদসমূহৰ সঠিক ব্যৱহাৰত সহায় কৰে, সামাজিক মূলধনৰ প্ৰতিষ্ঠা হোৱাত সহায় কৰে আৰু দেশত নতুনত্ব প্ৰৱৰ্তন আৰু বিকাশ সম্পৰ্কে অধ্যয়ন বেছি কৰে। এনেসমূহ দিশৰ পৰা বিচাৰ কৰিলে মুক্ত বা অবাধ বাণিজ্য নিশ্চয় দেশৰ বাবে ক্ষতিকাৰক হ'ব।

